জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৭৫/২০২২**

# অসম বিধানসভাৰ আৱাসিক চৌহদত প্ৰায় ১৪ কোটি টকা ব্যয় সাপেক্ষ বহু উপযোগী ভৱনৰ শিলান্যাস মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২২ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম বিধানসভাৰ আৱাসিক চৌহদত প্ৰায় ১৪ কোটি টকা ব্যয় সাপেক্ষ বহু উপযোগী ভৱনৰ শিলান্যাস কৰে।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কৰ্ম সংস্কৃতিৰ মানসিকতা বিকাশ, অতিথি শুশ্ৰূষা আৰু স্বাস্থ্যসন্মত জীৱন-যাপনৰ এক পৰিৱেশ ৰচনা কৰাৰ বাবে বিগত কিছুদিন ধৰি ৰাজ্য চৰকাৰে ৰাজধানী চৌহদটো সুন্দৰভাৱে সজাই পৰাই তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। বৰ্তমান অসম বিধান সভাৰ নতুন ভৱন নিৰ্মাণৰ কাম পূৰ্ণ গতিত অব্যাহত আছে আৰু এপ্ৰিল মাহৰ ভিতৰত এই নতুন ভৱনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠাৰ আশা কৰা হৈছে। তেওঁ কয় যে সমান্তৰালভাৱে আজি শিলান্যাস হোৱা বহু উপযোগী ভৱনটোত এখন ক্ষুদ্ৰ চিকিৎসালয়, এম্বুলেন্স পাৰ্ক, ডিপাৰ্টমেণ্টেল ষ্টোৰ, কেণ্টিন, পাকঘৰ, ব্যায়ামাগাৰ আদি সুব্যৱস্থা উপলব্ধ থাকিব। তেওঁ কয় যে ৩৩ হাজাৰ বৰ্গফুটৰ দুটা ব্লকৰ সৈতে ভূমি মহলা সহিতে দুমহলীয়া ভৱনটোৰ প্ৰকল্প ব্যয় প্ৰায় ১৪ কোটি টকা ধাৰ্য কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ তুলনাত অসমৰ যি পুতৌজনক অৱস্থা আছিল সি লাহে লাহে উন্নত হ'ব ধৰিছে। তেওঁ কয় যে ভৱিষ্যতৰ বাবে এই প্ৰকল্পটো গ্ৰহণ কৰা হৈছে। কাৰণ মানুহ যিয়েই নাথাকক অনুষ্ঠানবোৰ জীয়াই থাকিব লাগিব। সেয়েহে এনেধৰণৰ সা-সুবিধা ভৱিষ্যতৰ স্বাৰ্থত ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে। যিকোনো প্ৰকল্প নিৰ্দ্ধাৰিত সময়ত সম্পূৰ্ণ কৰি এটা আদৰ্শ প্ৰতিষ্ঠা কৰিব পৰা যায় সেই দিশত যথোচিত গুৰুত্ব প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত এই ভৱনটিৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰি তুলিবলৈ লোকনিৰ্মাণ বিভাগক আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, উপাধ্যক্ষ ডাঃ নোমল মমিনেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত সংসদীয় পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা প্ৰমুখ্যে অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**হেঃশঃ**
**২২/১২/২০২২**